# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 29-08-2025 **Time :** 0900 Hrs.

## <u>Assamese Morning Bulletin</u>
## Headlines

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ আজি অসম ৰাজভৱনৰ ব্ৰহ্মপুত্ৰ শাখা উদ্বোধন।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ উপস্থিতিত আজি বিয়লি প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰাৰ জন্ম শতবৰ্ষৰ উদ্বোধনী কাৰ্যসূচী।

৩। গুৱাহাটীৰ কৃত্ৰিম বানত জনজীৱন ব্যাহত। কালি এজনৰ মৃত্যু।

৪। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি দিনজোৰা কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উদযাপন।

*আৰু*

৫। গুৱাহাটীৰ বেতকুছি হাইস্কুলৰ ৰাজ্যৰ প্ৰথমটো দল হিচাপে সুব্ৰত কাপ ফুটবল প্ৰতিযোগিতাৰ খিতাপ অৰ্জন।

oooooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি অসম ৰাজভৱনৰ ব্ৰহ্মপুত্ৰ শাখা উদ্বোধন কৰিব। ৰাজ্যৰ বিকাশমুখী যাত্ৰাত নৱতম সংযোজন হিচাপে ৪১ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা এই নতুন ৰাজভৱনগৃহত ৰাজ্যপালৰ কাৰ্যালয়, অতিৰিক্ত আয়ুক্তৰ কাৰ্যালয়, প্ৰধান ব্যক্তিগত সচিবৰ কাৰ্যালয়, সন্মিলন কক্ষকে ধৰি আন বহু সুবিধা থাকিব। এই উপলক্ষে দিনৰ চাৰে ১১ বজাত আয়োজিত কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকিব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে এই অনুষ্ঠানৰ পৰাই ভাৰ্চুৱেল ব্যৱস্থাৰে দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত দেশৰ দ্বিতীয়টো ৰাষ্ট্ৰীয় চাইবাৰ ফৰেণচিক গৱেষণাগাৰ উদ্বোধন কৰিব। ৪৫ কোটি টকা ব্যয়সাপেক্ষে এই ফৰেণচিক গৱেষণাগাৰ নিৰ্মাণ কৰা হৈছে। ইয়াৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰ বাবে বিস্তৃতভাৱে ডিজিটেল অনুসন্ধানৰ সুবিধা প্ৰদানৰ লগতে আধুনিক ফৰেণচিক পদ্ধতিৰে আইন প্ৰয়োগৰ ক্ষমতা শক্তিশালী কৰা হ'ব।

আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি দিনৰ ১১ বাজি ৩৫ মিনিটৰ পৰা গুৱাহাটীৰ নৱনিৰ্মিত ৰাজভৱন মুকলিৰ অনুষ্ঠান পোনপটীয়াকৈ প্ৰচাৰ কৰিব। ইয়াৰ পৰিপ্ৰেক্ষিতত আমাৰ দুপৰীয়া ১২ বাজি ৫ মিনিটত প্ৰচাৰিত হ'বলগীয়া আঞ্চলিক বাতৰি পোনপটীয়া প্ৰচাৰৰ সামৰণিতহে প্ৰচাৰ কৰা হ'ব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীৰ অসম ভ্ৰমণ সন্দৰ্ভত এয়া আমাৰ বিশেষ প্ৰতিবেদন–

দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক কালি সন্ধিয়া মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া আৰু অগপৰ সভাপতি অতুল বৰাকে ধৰি কেইবাগৰাকী নেতাই গুৱাহাটী বিমান বন্দৰত আদৰণি জনায়। কালি বিয়লি ভাগত অহা ধাৰাষাৰ বৰষুণে গুৱাহাটী মহানগৰীৰ বিভিন্ন স্থানত সৃষ্টি কৰা কৃত্ৰিম বানৰ মাজেৰে গৃহমন্ত্ৰীগৰাকীক বিমান বন্দৰৰ পৰা পোনে পোনে ৰাজ্যিক বিজেপিৰ কাৰ্যালয় অটল বিহাৰী বাজপেয়ী ভৱনলৈ লৈ অনা হয়। তাত তেওঁ বিজেপিৰ কৰ্ণধাৰ সমিতিৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। গৃহমন্ত্ৰীগৰাকীয়ে বৈঠকত ২০২৬ চনত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বিষয়ে আলোচনা কৰাৰ লগতে দলৰ সাংগঠনিক দিশ পৰ্যালোচনা কৰে। এই বৈঠকতে তেওঁ বিটিচি নিৰ্বাচনৰ প্ৰস্তুতিৰো বুজ লয়।

কেন্দ্ৰীয় গৃহমন্ত্ৰী গৰাকীয়ে আজি বিয়লি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰাৰ জন্ম শতবৰ্ষৰ উদ্বোধনী কাৰ্যসূচীত অংশ ল'ব। নব্য চিন্তাৰ উন্মেষেৰে অসমৰ ৰূপান্তৰৰ অন্যতম খনিকৰ তথা স্বাধীনতা সেনানি গোলাপ বৰবৰা হৈছে অসমৰ প্ৰথমগৰাকী অ-কংগ্ৰেছী মুখ্যমন্ত্ৰী। প্ৰয়াত বৰবৰাই সামাজিক আৰু ৰাজনৈতিকভাৱে ৰাজ্যখনৰ বাবে বিশেষ অৱদান আগবঢ়াই থৈ গৈছে।

শ্ৰী শ্বাহে আজি গুৱাহাটীৰ খানাপাৰাত হ'বলগীয়া পঞ্চায়ত প্ৰতিনিধি সন্মিলনতো ভাগ ল'ব। তেওঁ এই সন্মিলনৰ পৰাই ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ কুচকাৱাজ আৰম্ভ কৰিব। এই সন্মিলনত বিজেপি, অসম গণ পৰিষদ, ৰাভা হাছং যৌথ সংগ্ৰাম সমিতি আৰু জনশক্তিকে ধৰি এন ডি এৰ সকলো শীৰ্ষ নেতা উপস্থিত থাকিব। প্ৰায় ২০ হাজাৰ নিৰ্বাচিত জনপ্ৰতিনিধি এই সন্মিলনত উপস্থিত থকাৰ কথা। তদুপৰি কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদ, ডিমা হাচাওকে ধৰি পৰিষদসমূহৰ নিৰ্বাচিত প্ৰতিনিধিসকলো এই অনুষ্ঠানত উপস্থিত থাকিব।

০০০০০০০০

অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত সখী এক্সপ্ৰেছ আঁচনিৰ অধীনত তৃণমূল পৰ্যায়ত কাম কৰা ৯ হাজাৰ ৭০৪ গৰাকী মহিলাক কাইলৈ স্কুটী প্ৰদান কৰা হ'ব। এই উপলক্ষে গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ মন্ত্ৰী ৰণজিৎ কুমাৰ দাস উপস্থিত থাকিব। এই মহিলাসকলক স্কুটী প্ৰদানৰ জৰিয়তে আত্মসহায়ক গোটৰ কামকাজসমূহ ত্বৰান্বিত কৰাৰ উপৰি তেওঁলোকৰ যাত্ৰাৰ ব্যয় হ্ৰাস তথা উপাৰ্জন বৃদ্ধিৰ জৰিয়তে সমৃদ্ধিশালী গাঁও নিৰ্মাণৰ পথ প্ৰশস্ত কৰাৰ প্ৰয়াস কৰা হৈছে।

০০০০০০০০

গুৱাহাটী মহানগৰীত বিগত দুদিন ধৰি হোৱা প্ৰৱল বৰষুণত দিছপুৰ, গুৱাহাটী আৰু সোণাপুৰ ৰাজহ চক্ৰৰ মুঠ ২৮ খন গাঁও ক্ষতিগ্ৰস্ত হৈছে। কালি সন্ধিয়াৰ ভাগত অহা বৰষুণৰ ফলত সৃষ্টি হোৱা কৃত্ৰিম বানত সোণাপুৰ ৰাজহ চক্ৰৰ অশোক শৰ্মা নামৰ এজন লোকে প্ৰাণ হেৰুৱায়। কৃত্ৰিম বানত মহানগৰীৰ নমাইল, যোৰাবাট, ঘোঁৰামৰা, ৰুক্মিনীগাঁও, বৰ্ষাপাৰা, অনিল নগৰ, নবীন নগৰ, আমবাৰী, বামুণীমৈদাম, গোটানগৰ আদিকে ধৰি ৩৯ টা স্থান প্লাৱিত হৈছে। ৰুক্মিনী গাঁও, জুৰিপাৰ, অনিল নগৰ, নবীন নগৰ, হাতীগাঁও আৰু গোটানগৰত পৰিস্থিতি জটিল হোৱাৰ বাবে ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীৰ দলে উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। অৱশ্যে যোৱা নিশাৰে পৰা বৰষুণ নোহোৱাৰ পৰিপ্ৰেক্ষিতত আজি পুৱাৰ ভাগত পানী শুকুওৱা পৰিলক্ষিত হৈছে।

০০০০০০০০

ধাৰাসাৰ বৰষুণে একেৰাহে দুদিন ধৰি গুৱাহাটী জলমগ্ন কৰি ৰখাৰ সময়তে বতৰ বিজ্ঞান কেন্দ্ৰই অহা দুদিনলৈ বৰষুণৰ সম্ভাৱনা ব্যক্ত কৰি সতৰ্কতা জাৰি কৰিছে। বতৰ বিজ্ঞান কেন্দ্ৰই ৰাজ্যৰ ১৩ খন জিলাত বিজুলী-ঢেৰেকনিৰে ধাৰাসাৰ আৰু অতি ধাৰাসাৰ বৰষুণ হোৱাৰ সম্ভাৱনালৈ চাই য়েল্ল' এলাৰ্ট জাৰি কৰিছে। কোকৰাঝাৰ, বঙাইগাঁও, বৰপেটা, কামৰূপ মহানগৰ, কামৰূপ, মৰিগাঁও, নগাঁও, লখিমপুৰ, ধেমাজি, শিৱসাগৰ, ডিব্ৰুগড়, তিনিচুকীয়া আৰু চৰাইদেউ জিলাত ঘণ্টাত ২-৩ ছেণ্টিমিটাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি প্ৰকাশ কৰিছে। জৰুৰীকালীন পৰিস্থিতিৰ বাবে প্ৰশাসনে জিলাভিত্তিক নিয়ন্ত্ৰণ কক্ষৰ টোলফ্ৰী নম্বৰ ঘোষণা কৰিছে। বিপদৰ সময়ত জনসাধাৰণক জিলা পৰ্যায়ত ১০৭৭ আৰু ৰাজ্যিক পৰ্যায়ত ১০৭০ অথবা ১০৭৯ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনোৱা হৈছে।

ইপিনে, বতৰ বিজ্ঞান বিভাগে আজি গুৱাহাটী মহানগৰীৰ ঠাইবিশেষে বিজুলী-ঢেৰেকনিৰে ধাৰাসাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। সম্ভাব্য পৰিস্থিতিলৈ চাই ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা

প্ৰাধিকৰণে গুৱাহাটীৰ জনসাধাৰণক প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰু সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাইছে। দৈনিক অহা-যোৱা কৰা আৰু দূৰণিবটীয়া যাত্ৰীসকলক বৰষুণৰ সময়ছোৱাত অনাৱশ্যকীয় যাত্ৰা এৰাই চলিবলৈ কোৱা হৈছে। দ' এলেকা আৰু পাহাৰৰ কাষৰীয়া অঞ্চলত বাস কৰা লোকক সম্ভাব্য পৰিস্থিতিৰ প্ৰতি সজাগ হৈ থাকিবলৈ সকিয়াই দিয়া হৈছে। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে জনসাধাৰণক সময়ে সময়ে পৰিস্থিতিৰ বিষয়ে অৱগত কৰিব।

oooooooo

আজি ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস। কিংবদন্তি হকী খেলুৱৈ মেজৰ ধ্যানচন্দৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি প্ৰতি বছৰে ২৯ আগষ্টত এই দিৱস পালন কৰা হয়। অসমতো আজি দিনজোৰা কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস আয়োজন কৰা হৈছে। কামৰূপ জিলাত আজিৰ পৰা তিনিদিনীয়াকৈ ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উদযাপন কৰা হ'ব। আজি পুৱা শুৱালকুছিত এটা সমূহীয়া খোজকঢ়া কাৰ্যসূচীৰে অনুষ্ঠানৰ শুভাৰম্ভণি কৰা হয়। এই সামুহিক খোজকঢ়া কাৰ্যসূচীৰ উদ্বোধন কৰে জিলা ক্ৰীড়া সংস্থাৰ কাৰ্যকৰী সভাপতি ডাঃ কাৰ্তিক মেধিয়ে। শুৱালকুছি বস্ত্ৰ উদ্যানৰ পৰা শুৱালকুছিৰ বালিচৰলৈ উলিওৱা এই সমদলটোত কামৰূপ জিলাৰ প্ৰশাসনিক বিষয়া ৰাজেশ ঠাকুৰে ভাগ লয়। আজি দিনৰ ভাগত পৰম্পৰাগত খেল-ধেমালিৰ লগতে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ইপিনে, দৰং জিলাতো এইবাৰ তিনিদিনীয়াকৈ ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস পালন কৰা হৈছে। আজি পুৱা মঙলদৈস্থিত কলেজিয়েট হাইস্কুল প্ৰাংগণত ক্ৰীড়া দিৱসৰ শুভাৰম্ভ কৰা হয়। শুভাৰম্ভণি অনুষ্ঠানত মঙলদৈৰ বিধায়ক বসন্ত দাস, জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতিৰ লগতে বহু বিশিষ্ট লোক আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

এই বছৰ ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসৰ মূল বিষয়বস্তু হৈছে – শান্তিপূৰ্ণ আৰু সৰ্বাত্মক সমাজৰ প্ৰসাৰৰ বাবে খেল-ধেমালি। এই বিষয়বস্তুৰ জৰিয়তে খেল-ধেমালিয়ে কিদৰে বাধা নেওচি দলীয় ভাৱনা শক্তিশালী কৰে আৰু অঞ্চল-ভাষা অথবা পৃষ্ঠভূমিৰ মতভেদ দূৰ কৰি জনসাধাৰণক ঐক্যবদ্ধ কৰে সেই বিষয়ে আলোকপাত কৰা হৈছে। ইয়াৰ উপৰি এই বিষয়বস্তুৰ মাধ্যমেৰে শান্তি, সৰ্বাত্মকতা আৰু সদভাৱৰ আহিলা হিচাপে ক্ৰীড়াৰ ব্যৱহাৰত গুৰুত্ব আৰোপ কৰা হৈছে। ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসৰ উদযাপনৰ সৈতে সংগতি ৰাখি আজিৰে পৰা ৩১ আগষ্টলৈ তিনিদিনীয়া কাৰ্যসূচীৰে ৰাষ্ট্ৰজোৰা ফিট ইণ্ডিয়া মিছনৰ আয়োজন কৰা হৈছে। ইয়াৰ অধীনত এঘণ্টা খেল-ধেমালিৰ বাবে খেলপথাৰৰ লেখীয়া অভিযানৰ আয়োজন কৰা হৈছে। ইয়াৰ জৰিয়তে জনসাধাৰণক কমেও এঘণ্টা মুকলিত খেলা খেল আৰু শাৰিৰীক গতিবিধিৰ নামত উৎসৰ্গা কৰিবলৈ উৎসাহ দিয়া হৈছে।

oooooooo

ৰাজ্যিক সামগ্ৰী আৰু সেৱা কৰ সঞ্চালকালয়ৰ অতিৰিক্ত কৰ আয়ুক্ত ছাকিল ছাদুল্লাক বিশেষ ন্যায়াধীশৰ আদালতে দুদিনৰ বাবে মুখ্যমন্ত্ৰীৰ তদাৰকী কোষৰ জিম্মালৈ প্ৰেৰণ কৰিছে। আয়তকৈ অধিক সম্পত্তি অৰ্জনৰ গোচৰত যোৱা বুধবাৰে মুখ্যমন্ত্ৰী তদাৰকী কোষে অতিৰিক্ত কৰ আয়ুক্তগৰাকীক গ্ৰেপ্তাৰ কৰিছিল। তদাৰকী কোষে কালি তেওঁক বিশেষ ন্যায়াধীশ আদালতত হাজিৰ কৰোৱাই অধিক সোধাপোছাৰ বাবে জিম্মাত বিচৰাত অভিযুক্ত ছাদুল্লাক দুদিনৰ বাবে তদাৰকী কোষৰ জিম্মালৈ প্ৰেৰণ কৰা হয়।

oooooooo

আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন বাতৰি পঢ়োতা গোলাপ শইকীয়াৰ পঞ্চম মৃত্যু বাৰ্ষিকী উপলক্ষে আন আন বছৰৰ দৰে এইবাৰো বাতৰি বিভাগৰ তৰফৰ পৰা এখন অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে মুকলি এই প্ৰতিযোগিতাৰ ভাষা হ'ব অসমীয়া আৰু সময় ১ মিনিট নিৰ্ধাৰণ কৰা হৈছে। ইচ্ছুক প্ৰতিযোগীয়ে সাম্প্ৰতিক ঘটনাৱলী সম্পৰ্কত সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি আকাশবাণীৰ বাবে উপযুক্ত ৰূপত মোবাইল ফোন অথবা অডিঅ' ৰেকৰ্ডাৰত

ৰেকৰ্ড কৰি এম-পি থ্ৰী ৰূপত ৯৭১৬৬৮০৯৬৯, ৯৮৬৪৩৯৩১৫৫ আৰু ৯৬১৯৬৮৬৬৫৯ নম্বৰত হোৱাট্‌ছএপত পঠিয়াব লাগিব। ২৪ ছেপ্তেম্বৰৰ সন্ধিয়া ৬ বজাৰ ভিতৰত লাভ কৰা হোৱাট্‌ছএপ বাৰ্তাহে প্ৰতিযোগিতাৰ বাবে বিবেচনা কৰা হ'ব। ইয়াৰ বাহিৰে আন কোনো ধৰণে দিয়া বাতৰিৰ বাৰ্তা গ্ৰহণযোগ্য নহ'ব। বিজয়ী প্ৰতিযোগীসকলক পুৰস্কাৰ আৰু প্ৰমাণপত্ৰৰে সন্মানিত কৰা হ'ব আৰু প্ৰথম বিবেচিত তিনিটা বাতৰি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত প্ৰচাৰ কৰা হ'ব।

০০০০০০০০

গুৱাহাটীৰ বেতকুছি হাইস্কুলে ৰাজ্যৰ প্ৰথমটো দল হিচাপে ছোৱালীৰ ১৭ বছৰ অনুৰ্ধ সুব্ৰত কাপ ফুটবল প্ৰতিযোগিতাৰ চেম্পিয়নৰ খিতাপ অৰ্জন কৰি ইতিহাস ৰচনা কৰিছে। বেতকুছি হাইস্কুলে কালি নতুন দিল্লীৰ ড° আম্বেদকাৰ ষ্টেডিয়ামত অনুষ্ঠিত ফাইনেলত পশ্চিমবংগৰ উত্তৰ দিনাজপুৰৰ নন্দঝাৰ আদিবাসী তপশিলি হাইস্কুলক ৩-১ গ'লত পৰাস্ত কৰে। অসমৰ ছোৱালী দলটোৱে খেলখনৰ প্ৰথমাৰ্ধতে ৩-১ গ'লৰ অগ্ৰগতি লাভ কৰে। বেতকুছিৰ হৈ খেলৰ ১২ মিনিটত ছায়শ্ৰী চাংমায়ে প্ৰথমটো গ'ল দিয়ে। ইয়াৰ ৯ মিনিট পাছতে নেহাৰ গ'লেৰে বংগৰ দলটোৱে খেলত সমতা স্থাপন কৰে। বেতকুছিৰ হৈ মিলিনা ব্ৰহ্মাই ২৪ মিনিটত আৰু মেৰি মেচে ২৯ মিনিটত গ'ল দি দলক জয়ৰ দিশে আগুৱাই লৈ যায়। দ্বিতীয়াৰ্ধত বংগৰ দলটোৱে গ'ল পৰিশোধ কৰাৰ চেষ্টা চলাই যদিও সফল নহয়। ছোৱালীৰ সুব্ৰত কাপত অসমে এইবাৰ খিতাপ লাভ কৰিলেও ল'ৰাৰ সুব্ৰত কাপত ইয়াৰ আগেয়ে ৰাজ্যৰ স্কুল দলে দুবাৰ খিতাপ জয় কৰিছিল। ১৯৮৬ চনত কোকৰাঝাৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ে আৰু ১৯৯২ চনত গুৱাহাটীৰ আৰ্য বিদ্যাপীঠ হাইস্কুলে এই প্ৰতিযোগিতাৰ খিতাপ অৰ্জন কৰিবলৈ সমৰ্থ হৈছিল।

০০০০০০০০

আহমেদাবাদৰ বীৰ ছাভাৰকাৰ ক্ৰীড়া প্ৰকল্পত চলি থকা কমনৱেল্‌থ ভাৰোত্তোলন প্ৰতিযোগিতাত অসমৰ খেলুৱৈৰ দৰ্শনীয় প্ৰদৰ্শন অব্যাহত আছে। অসমৰ হৈ কালি বেদব্ৰত ভঁৰালীয়ে প্ৰতিযোগিতাত তিনিটাকৈ নতুন অভিলেখ স্থাপন কৰি ল'ৰাৰ জুনিয়ৰৰ ৭৯ কিলোগ্ৰাম ওজন শাখাত স্বৰ্ণপদক হস্তগত কৰে। বেদব্ৰতে স্নেট্‌চ শিতানত ১৪৫ কিলোগ্ৰাম আৰু ক্লীন এণ্ড জাৰ্ক শিতানত ১৮১ কিলোগ্ৰাম উত্তোলন কৰে। খেলুৱৈগৰাকীয়ে সামগ্ৰিকভাৱে ৩২৬ কিলোগ্ৰাম উত্তোলন কৰি তিনিওটা শিতানত অভিলেখ ৰচিবলৈ সমৰ্থ হয়। উল্লেখযোগ্য যে এই প্ৰতিযোগিতাত ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰা অসমৰ পাঁচগৰাকী খেলুৱৈৰ কেউজনে স্বৰ্ণপদক জয় কৰি ৰাজ্যৰ লগতে দেশক গৌৰৱান্বিত কৰিছে।

০০০০০০০০

News Paper Rev./RNU (29-08-2025) Morn.

কালিৰ বিয়লিৰ ভাগত অহা ধাৰাষাৰ বৰষুণৰ ফলত গুৱাহাটী মহানগৰীত সৃষ্টি হোৱা জলপ্লাৱন, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অসম ভ্ৰমণ, বিজেপিৰ ১৮ জনীয়া ক'ৰ কমিটি গঠন, জি এছ টি বিষয়া ছাকিল ছাদুল্লাক দুদিনৰ বাবে আৰক্ষীৰ জিম্মালৈ প্ৰেৰণৰ বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

অসমীয়া প্ৰতিনিদিন কাকতে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অসম ভ্ৰমণৰ বাতৰি খানাপাৰাত ২০২৬ৰ ৰণডংকা বজাব অমিত শ্বাহে শিৰোনামেৰে প্ৰকাশ কৰিছে। আন আন কাকতসমূহে কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ ভ্ৰমণৰ জেৰ টানি খানাপাৰত আজি হ'বলগীয়া পঞ্চায়ত প্ৰতিনিধিৰ সন্মিলন, গোলাপ বৰবৰাৰ জন্ম শতবাৰ্ষিকী উদ্বোধনী অনুষ্ঠানত শ্ৰী শ্বাহৰ অংশগ্ৰহণ বাতৰিক গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। একেটা বাতৰিকে দ্যা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

দৈনিক অসম কাকতে কালি বিয়লিৰ ভাগত অহা বৰষুণৰ বাবে গুৱাহাটী মহানগৰীৰ জীৱিন কৃত্ৰিম বানত বিপৰ্যস্ত হোৱাৰ বাতৰিক আলোকচিত্ৰ সহকাৰে প্ৰকাশ কৰিছে। একেটা বাতৰি আটাইকেইখন কাকতৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

নিয়মীয়া বাৰ্তা কাকতে আখনুৰ সীমান্তৰ কৰ্তব্যৰত অৱস্থাত কাছাৰৰ বি এছ্‌ এফৰ জোৱান ৰাজীৱ নুনিয়াৰ মৃত্যুৰ বাতৰিক গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

দৈনিক জনমভূমি কাকতে অসমৰ বেটকুছি হাইস্কুলৰ ছাত্ৰীৰ দলে সুব্ৰত কাপ ফুটবল প্ৰতিযোগিতাত ইতিহাস ৰচনা কৰাৰ বাতৰিক মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

আমাৰ অসম কাকতে **অমিত শ্বাহৰ আগমনৰ বাবে শিশুৰ মৃত্যুৰ তদন্তৰ ৰিপৰ্ট দাখিল বাতিলৰ** বাতৰিটো প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

অসমীয়া খবৰ আৰু দৈনিক অগ্ৰদূত কাকতে গুৱাহাটী মহানগৰীৰ কৃত্ৰিম বানৰ বাতৰিটো মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেটা বাতৰিকে দি আছাম ট্ৰিবিউন কাকতে **SUBMERGED AGAIN : HEAVY RAINS INUNDATE GUWAHATI FOR DAY 2** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।০০০

০০০০০০০০

**সমাপ্ত**